# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 10-03-2026 **Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। লোকসভাত আজি অধ্যক্ষ ওম বিৰলাক অপসাৰণৰ প্ৰস্তাৱকলৈ আলোচনা অনুষ্ঠিত হয়।

২। বিগত এটা দশকত দেশত খাদ্য সামগ্ৰী উৎপাদন ৪৪ শতাংশতকৈও অধিক বৃদ্ধি পাইছে বুলি কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে লোকসভাত প্ৰকাশ কৰে।

৩। আজি কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী, চি আই এছ এফৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে বাহিনীটোৰ বিষয়া, কৰ্মচাৰী আৰু জোৱানসকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, এন চি ই আৰ টিয়ে Exploring Society: India and Beyond নামৰ অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ দ্বিতীয় খণ্ডৰ পাঠ্যপুথিখন প্ৰত্যাহাৰ কৰিছে।

*আৰু*

৫। ইৰানে হৰমুজ প্ৰণালীৰে তেল পৰিবহন বন্ধ কৰিলে ইৰানৰ বিৰুদ্ধে সামৰিক শক্তি প্ৰয়োগ কৰা হ'ব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ভাবুকি দিছে।

লোকসভাত আজি অধ্যক্ষ ওম বিৰলাক অপসাৰণৰ প্ৰস্তাৱকলৈ আলোচনা অনুষ্ঠিত হৈছে।সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈকে প্ৰথমতে স্থগিত ৰখা হৈছিল। কাম-কাজ পুনৰ আৰম্ভ হোৱাৰ পাছত কংগ্ৰেছ সাংসদ ড০ মহম্মদ জাৱেদে অধ্যক্ষ অপসাৰণৰ প্ৰস্তাৱ উত্থাপন কৰে। তেওঁ কয় যে অধ্যক্ষই সদনত বিৰোধী দলপতি আৰু অন্যান্য বিৰোধী নেতাক কথা ক'বলৈ নিদিয়ে। তেওঁ লগতে কয় যে অধ্যক্ষই বিৰোধী পক্ষৰ মহিলা সাংসদৰ বিৰুদ্ধে মিছা অভিযোগ আহিছে। অধ্যক্ষ বিৰলাই সদন পৰিচালনাত নিৰপেক্ষতা প্ৰদৰ্শন কৰিব পৰা নাই বুলিও শ্ৰী জাৱেদে অভিযোগ কৰে।

অধ্যক্ষৰ হৈ সদন পৰিচালনা কৰা সাংসদ জগদম্বিকা পালে জনায় যে, এই প্ৰস্তাৱক লৈ আলোচনাৰ বাবে ১০ ঘণ্টা সময় ধাৰ্য্য কৰা হৈছে।

আলোচনাত অংশগ্ৰহণ কৰি কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে কয় যে, বিৰোধী দলপতি ৰাহুল গান্ধীক ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ আলোচনা কালত কথা কোৱাত বাৰম্বাৰ বাধা দিয়া হৈছিল। অধ্যক্ষই সদনৰ কাম-কাজ পৰিচালনাত পক্ষপাতিত্ব কৰা বুলি উল্লেখ কৰি শ্ৰী গগৈয়ে কয় যে, অধ্যক্ষৰ বিৰলাৰ বিৰুদ্ধে ব্যক্তিগত ভাৱে নহয়, বৰং সদনৰ মৰ্য্যদা ৰক্ষাৰ দায়িত্ববোধৰ বাবেহে এই প্ৰস্তাৱ অনা হৈছে।

ইয়াৰ পূৰ্বে বিৰোধী সাংসদ সকলে বিভিন্ন বিষয়ক লৈ কৰা হুলস্থুলৰ পৰিপ্ৰেক্ষিতত লোকসভা আজি দুপৰীয়া ১২ বজালৈকে স্থগিত ৰাখিবলগীয়া হয়। আজি দিনৰ ১১ বজাত সদনৰ কাম কাজ আৰম্ভ

হোৱাৰ পাছতে প্ৰশ্নোত্তৰ কাল আৰম্ভ হয়। কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে বিৰোধী সাংসদসকলৰ শ্লোগান-প্ৰতিবাদৰ মাজতে প্ৰধানমন্ত্ৰী ধন-ধান্য যোজনা আৰু কৃষি উন্নতি যোজনাৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিয়ে। প্ৰজাইডিং বিষয়া সন্ধ্যা ৰয়ে সদনৰ কাম-কাজ অব্যাহত ৰাখিবলৈ চেষ্টা কৰে যদিও বিৰোধীয়ে সৃষ্টি কৰা পৰিৱেশৰ পৰিপ্ৰেক্ষিতত সদন স্থগিত ৰাখিবলৈ বাধ্য হয়।

০০০০০

বিভিন্ন মন্ত্ৰালয়ৰ আৰু বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰীসকলে দাখিল কৰা প্ৰতিবেদনেৰে আজি ৰাজ্যসভাৰ কাম-কাজ আৰম্ভ হয়। সদনৰ সদস্য সকলেও সংসদীয় কমিটি সমূহৰ প্ৰতিবেদন দাখিল কৰে। শূন্য কালত তৃণমূল কংগ্ৰেছৰ সাংসদ ডেৰেক অ'ব্ৰিয়ানে পশ্চিমবংগকে ধৰি বিভিন্ন ৰাজ্যত নিৰ্বাচন আয়োগে আৰম্ভ কৰা ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন, এচ আই আৰৰ বিষয়ে আলোচনাৰ দাবী কৰে। বিৰোধী দলপতি তথা কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়েও নিৰ্বাচনী সংস্কাৰক লৈ সদনত আলোচনাৰ দাবী কৰে। দুয়োগৰাকী সাংসদৰ দাবীত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰী তথা সদনৰ নেতা জে পি নাড্ডাই কয় যে বিৰোধী পক্ষই সদনৰ মজিয়াত প্ৰকৃত বিতৰ্ক হোৱাটো নিবিচাৰে। তেওঁ লগতে নিৰ্বাচনী সংস্কাৰক লৈ ইতিমধ্যে আলোচনা হৈ যোৱাৰ পিচতো সদনত এচ আই আৰৰ প্ৰসংগ পুনৰ উত্থাপন কৰাৰ বাবে বিৰোধী পক্ষক সমালোচনা কৰে। শ্ৰী নাড্ডাই কয় যে বিৰোধী সাংসদসকলে পুনৰ সদন ত্যাগ কৰিলে, কাৰণ তেওঁলোকে সদনত কোনো ধৰণৰ বিতৰ্ক বা আলোচনা হোৱাটো নিবিচাৰে।

০০০০০

বিগত এটা দশকত দেশত খাদ্য সামগ্ৰী উৎপাদন ৪৪ শতাংশতকৈও অধিক বৃদ্ধি পাইছে। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে লোকসভাৰ প্ৰশ্নকালত উত্থাপিত এটি পৰিপূৰক প্ৰশ্নৰ উত্তৰত এইদৰে কয়। শ্ৰী চৌহানে লগতে কয়, যে দেশে ৩৫৭ মিলিয়ন টনৰ খাদ্য সামগ্ৰী উৎপাদনত কৰি নতুন মাইলৰ খুঁটি স্থাপন কৰিছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেনন্দ্ৰ মোদীৰ নেতৃত্বত কৃষি সম্বন্ধীয় ভালেমান সংস্কাৰ সাধন হোৱাৰ লগতে কৃষকৰ লাভ তথা খাদ্য সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰ উদ্দেশ্যে বহু নীতি নিৰ্ধাৰণ কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে চাউল উৎপাদনৰ ক্ষেত্ৰত চীনক অতিক্ৰম কৰি ভাৰত পৃথিৱীৰ বৃহৎ উৎপাদনকাৰী দেশ হিচাপে পৰিগণিত হৈছে। তেওঁ কয়, যে সমান্তৰালভাৱে দেশত দাইলৰ উৎপাদন ১৯ মিলিয়ন টনৰ পৰা ২৬ মিলিয়ন টনলৈ বৃদ্ধি হৈছে।

শ্ৰী চৌহানে কয়, যে খাদ্য সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰ অৰ্থে প্ৰধানমন্ত্ৰীৰ ধন-ধন্য আঁচনি দেশৰ ১০০ খন জিলাত প্ৰৱৰ্তন কৰা হৈছে। তেওঁ কয়, যে পশ্চিমবংগ চৰকাৰে এই আঁচনিখন তেওঁলোকৰ ৰাজ্যত প্ৰৱৰ্তন কৰা নাই। পশ্চিমবংগৰ চাৰিখন জিলা ক্ৰমে- পুৰুলীয়া, দাৰ্জিলিং, আলিপুৰদুৱাৰ আৰু ঝাৰগ্ৰামৰ কৃষকসকলক সহায় আৰু উৎপাদন বৃদ্ধিৰ বাবে এই আঁচনিৰ অধীনত নিৰ্বাচন কৰা হৈছিল। শ্ৰী চৌহানে লগতে কয়, যে চৰকাৰে বিগত বৰ্ষত সাৰৰ ক্ষেত্ৰত এক কোটি ৮৬ লাখ টকাৰ ৰাজসাহায্য প্ৰদান কৰিছে। যাতে কৃষকে কৃষি কাৰ্যৰ বাবে প্ৰয়োজনীয় সাৰ ক্ৰয় কৰিব পাৰে।০০০০

আজি কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী, চি আই এছ্ এফৰ প্ৰতিষ্ঠা দিৱস। প্ৰতিষ্ঠা দিৱসত উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে বাহিনীটোৰ বিষয়া, কৰ্মচাৰী আৰু জোৱানসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে, ত্যাগ, পেছাগত মনোভাৱ আৰু দেশৰ জটিল পৰিকাঠামো তথা ৰাজহুৱা প্ৰতিষ্ঠান সমূহৰ সুৰক্ষাত প্ৰদৰ্শন কৰা দায়বদ্ধতাই

সঁচা অৰ্থতে চি আই এচ এফক অতুলনীয় কৰি ৰাখিছে। ৰাষ্ট্ৰই বাহিনীটোৰ সাহস, নিয়মানুৱৰ্তিতা আৰু কৰ্তব্য নিষ্ঠাক সদায় মনত ৰাখিব বুলি শ্ৰীৰাধাকৃষ্ণণে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰতিষ্ঠা দিৱসত চি আই এচ এফক শুভেচ্ছ জনাই সামাজিক মাধ্যমত কয় যে, বাহিনীটোৱে সমগ্ৰ দেশৰ জটিল পৰিকাঠামোৰ সুৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। শ্ৰী মোডীয়ে কয় যে, বাহিনীটোৰ সেৱাই দেশৰ সুৰক্ষা আৰু প্ৰগতিত প্ৰভূত অৱদান যোগাইছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমত কয় যে, চি আই এচ এফৰ ত্যাগে প্ৰকৃত দেশপ্ৰেম আৰু পেছাদাৰিত্বক প্ৰতিফলন কৰে। দেশৰ বাবে চৰম ত্যাগ কৰা বাহিনীটোৰ শ্বহীদ সকলৰ প্ৰতি শ্ৰী শ্বাহে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ০০০০০

ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, এন চি ই আৰ টিয়ে Exploring Society: India and Beyond নামৰ অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ দ্বিতীয় খণ্ডৰ পাঠ্যপুথিখন প্ৰত্যাহাৰ কৰিছে। এই পাঠ্যপুথিখনৰ  The Role of Judiciary in our Society নামৰ পঞ্চম অধ্যায়ৰ পাঠটোৱে বিতৰ্কৰ সৃষ্টি কৰিছিল। এই পাঠটোত দেশৰ ন্যায়িক ব্যৱস্থাই সমাগত কেতবোৰ বিৰূপ প্ৰভাৱ পেলাইছে বুলি উল্লেখ কৰা হৈছিল আৰু ইয়াৰ পাছতে দেশজুৰি বিতৰ্ক হৈছিল। বিভিন্ন পক্ষই পাঠ্যপুথিখন শীঘ্ৰে প্ৰত্যাহাৰ কৰাৰ দাবী কৰিছিল। আজি পুৱা এন চি ই আৰ টিয়ে ৰাজহুৱাভাৱে ক্ষমা প্ৰাৰ্থনা কৰি ঘোষণা কৰে যে বিতৰ্কিত পাঠ্যপুথিখন প্ৰত্যাহাৰ কৰা হৈছে আৰু এতিয়াৰে পৰা কিতাপখন উপলভ্য নহব। এন চি ই আৰ টিৰ সঞ্চালক আৰু সদস্য সকলে সংশ্লিষ্ট পাঠটোৰ বাবে নিঃচৰ্ত ক্ষমা প্ৰাৰ্থনা কৰে। ০০০০০

ইৰানে হৰমুজ প্ৰণালীৰে তেল পৰিবহন বন্ধ কৰিলে ইৰানৰ বিৰুদ্ধে সামৰিক শক্তি প্ৰয়োগ কৰা হ'ব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ভাবুকি দিছে। সংবাদমেল এখনৰ অংশগ্ৰহণ কৰি আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে একে সময়তে ইৰান-আমেৰিকা-ইজৰাইলৰ সংঘাত সোনকালে অৱসান হোৱাৰো পোষকতা কৰে।  সংবাদ মেলখনত ৰাষ্ট্ৰপতি ড্ৰাম্পে কয়, যে আমেৰিকান সেনা বাহিনীয়ে ইযিমধ্যে ইৰানৰ বায়ুসেনা আৰু নৌ সেনাৰ যথেষ্ট ক্ষিত কৰিছে। তেওঁ যুদ্ধ শেষ কৰিবলৈ পূৰ্বে নিৰ্ধাৰণ কৰি দিয়া চাৰি সপ্তাহৰ সময়সীমাৰ কথা উল্লেখ কৰি ইৰানক যুদ্ধ সামৰিবলৈ পৰামৰ্শ দিয়ে। ইপিনে ডোনাল্ড ট্ৰাম্পৰ এই সকীয়নিৰ প্ৰত্যুত্তৰত ইৰান ৰিভ'লুশ্যানাৰী গাৰ্ডছে কয়, যে যদিহে আমেৰিকা আৰু ইজৰাইলৰ আক্ৰমন অব্যাহত থাকে তেতিয়া হৰমুজ প্ৰণালীৰে এটোপাল তেলো পৰিবহন কৰিবলৈ দিয়া নহ'ব বুলি প্ৰকাশ কৰে।  ইপিনে, যুদ্ধৰ অৱসান ঘটোৱাৰ সময়সীমা বান্ধি দিবলৈ সেয়া ৱাশ্বিটচন নহয়, ইৰানহে বুলিও গাৰ্ডছৰ এগৰাকী মুখপাত্ৰই প্ৰকাশ কৰে। ০০০০০০

সমাপ্ত